প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## কোভিড-১৯ প্ৰতিৰোধী অভিযান

## এককালীন সাহায্য বিতৰণত অনিয়ম

# আইভেটি গাঁও পঞ্চায়তৰ সচিবক নিলম্বন

**গুৱাহাটী ১৮ জুনঃ** আজি নগাঁও জিলাৰ দলংঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত আইভেটি গাঁও পঞ্চায়তৰ সচিব প্ৰবোধ নাথক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হৈছে। খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা গ্ৰাম্য দুখীয়া পৰিয়াললৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত প্ৰদান কৰি থকা ১০০০ টকীয়া অৰ্থ সাহায্য বিতৰণত এই পঞ্চায়তখনত হোৱা খেলি-মেলিৰ সম্পৰ্কত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ প্ৰতিবেদনৰ ভিত্তিত বিভাগৰ আয়ুক্ত হেমেন দাসে এই নিৰ্দেশ জাৰি কৰে।

উল্লেখযোগ্য যে কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পৰা দেশৰ জনসাধাৰণক ৰক্ষা কৰাৰ অৰ্থে প্ৰতিৰোধমূলক ব্যৱস্থা হিচাপে দেশজুৰি চলা লক্ ডাউনৰ পৰিপ্ৰেক্ষিতত খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা দুখীয়া পৰিয়ালসকলক কিছু আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে ১০০০ টকাকৈ নগদ ধন দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰি বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে এই ধন বিতৰণত যাতে কোনো খেলি-মেলি নহয় তাৰ বাবে সকিয়াই দিয়াৰ উপৰি এই ক্ষেত্ৰত কোনো গাফিলতি প্ৰত্যক্ষ কৰিলে কঠোৰ পদক্ষেপ লোৱা হ'ব বুলিও ঘোষণা কৰিছিল। আজি মন্ত্ৰীগৰাকীয়ে নিষ্ঠা আৰু সততাৰে সকলো আঁচনি ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট সকলোকে পুনৰ সকিয়াই জনায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই সময়ছোৱাত খাদ্য সুৰক্ষাৰ কাৰ্ড নথকা ৪ লাখ১৮ হাজাৰ ১৮৩ টা গ্ৰাম্য দুখীয়া পৰিয়ালে এই নগদ ধন লাভ কৰিছে।

*এম আৰ ডি/১৮-০৬-২০২০*